# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-11-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কৰ্ণাটক আৰু গোৱালৈ যাব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি লক্ষ্ণৌত  দুটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৩। এখন ৰাষ্ট্ৰ, এটা কৰ ব্যৱস্থাৰ লেখীয়া সংস্কাৰসমূহে দেশৰ কৰ পৰিকাঠামো সৰল আৰু স্বচ্ছ কৰি তুলিছে বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে।

৪। বিশ্ববিদ্যালয় অনুদান আয়োগে উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক সময়মতে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ আৰু চূড়ান্ত ডিগ্ৰী আৰু প্ৰমাণ-পত্ৰ শীঘ্ৰে জাৰি কৰিবলৈ নিৰ্দেশ দিছে।

*আৰু*

৫। হংকঙৰ টাইপো জিলাৰ এটা আৱাসিক চৌহদত হোৱা অগ্নিকাণ্ডত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৪ লৈ বৃদ্ধি পাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কৰ্ণাটক আৰু গোৱালৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে কৰ্ণাটকৰ উদুপিৰ শ্ৰীকৃষ্ণ মঠ পৰিদৰ্শন কৰিব আৰু লক্ষ কণ্ঠ গীতা পাৰায়ন কাৰ্যসূচীত ভাগ ল'ব। তেওঁ লগতে কৃষ্ণ গৰ্ভ গৃহৰ সন্মুখত থকা সুবৰ্ণ তীৰ্থ মণ্ডপ মুকলি কৰিব আৰু পবিত্ৰ কনকনাৰ কিন্দিৰ বাবে কনক কৱচ উৎসৰ্গিত কৰিব।

গোৱা ভ্ৰমণকালত শ্ৰীমোদীয়ে সাৰধা পঞ্চাষ্টমানোৎসৱ উপলক্ষে শ্ৰীসংস্থান গোকৰ্ণ পৰতগলি জীৱোত্তম মঠৰ ৫৫০ সংখ্যক বৰ্ষ উদযাপন অনুষ্ঠানত ভাগ ল'ব। শ্ৰীমোদীয়ে লগতে মঠটোত ব্ৰঞ্জৰে নিৰ্মাণ কৰা শ্ৰীৰামৰ ৭৭ ফুট ওখ মূৰ্তি উন্মোচন কৰিব আৰু ৰামায়ণ থীমপাৰ্ক মুকলি কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা সমাৱেশত ভাষণ দিব আৰু বিশেষ ডাক টিকট তথা স্মাৰক মুদ্ৰা জাৰি কৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি লক্ষ্ণৌ ভ্ৰমণ কৰি দুটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে ২০২৫-২৬ বৰ্ষৰ বাবে ব্ৰহ্মকুমাৰীসকলৰ **বিশ্ব ঐক্য আৰু বিশ্বাসৰ বাবে ধ্যান** শীৰ্ষক বাৰ্ষিক বিষয়বস্তু মুকলি অনুষ্ঠানত ভাগ ল'ব। ইয়াৰ পাছতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰত স্কাউট আৰু গাইডৰ হীৰক জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে ইয়াৰ ১৯ সংখ্যক ৰাষ্ট্ৰীয় জাম্বৰীত ভাষণ দিব।

ব্ৰহ্মকুমাৰী অতিৰিক্ত সাধাৰণ সচিব ডঃ মৃত্যুঞ্জয়ে জনাইছে যে, এই অনুষ্ঠানৰ পাছতে ৰাষ্ট্ৰপতিগৰাকীয়ে ধ্যান কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব আৰু ৫ গৰাকীকৈ পুৰুষ আৰু মহিলাক নিচান আৰু কলহ বিতৰণ কৰিব। এই

অনুষ্ঠানত সমগ্ৰ দেশৰ প্ৰায় ৩৩ হাজাৰ স্কাউট-গাইড, ৰো'ভাৰ্চ আৰু ৰেঞ্জাৰৰ লগতে মালদ্বীপ, নেপাল, শ্ৰীলংকা আৰু চৌদি আৰবৰ এহেজাৰ ৫০০ৰো অধিক যুৱ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০০

এখন ৰাষ্ট্ৰ, এটা কৰ ব্যৱস্থাৰ লেখীয়া সংস্কাৰসমূহে দেশৰ কৰ পৰিকাঠামো সৰল আৰু স্বচ্ছ কৰি তুলিছে আৰু ইয়াৰ ফলত দেশত বিকাশ আৰু সমৃদ্ধি ত্বৰান্বিত হৈছে। নতুন দিল্লীত কালি ভাৰতীয় ৰাজহ সেৱাৰ ৭৬ সংখ্যক বেটছৰ প্ৰশিক্ষাৰ্থী বিষয়াসকলক উদ্দেশ্যি দিয়া ভাষণত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে যুৱ প্ৰশিক্ষাৰ্থী বিষয়াসকলৰ সাহস, আত্মবিশ্বাস আৰু নতুন দৃষ্টিভংগীয়ে দেশক গোলকীয় নেতৃত্বৰ দিশে আগুৱাই লৈ যোৱাত সহায় কৰিব। ভাৰতীয় ৰাজহ সেৱাৰ বিষয়াসকল দেশৰ অৰ্থনৈতিক শক্তিৰ মূল স্তম্ভ বুলি শ্ৰীবিৰলাই উল্লেখ কৰে। তেওঁ কয়, যে তেওঁলোকে অকল কৰ সংগ্ৰহ কৰাই নহয় বৰং অবৈধ ব্যৱসায় আৰু কলা ধন বৈধকৰণ ৰোধ কৰি আৰু বিত্তীয় অনুশাসন বৰ্তাই ৰাখি ব্যৱসায় সুচল কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শ্ৰীবিৰলাই কয়, যে ডিজিটেল কৰ ব্যৱস্থা, কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত মূল্যায়ন আৰু তথ্য বিশ্লেষণৰ দৰে আধুনিক আহিলাসমূহে কৰ আৰোপন ব্যৱস্থাটো অধিক স্বচ্ছ আৰু নিকা কৰি তুলিছে। বিভিন্ন কেন্দ্ৰীয় আৰু সৰ্বভাৰতীয় সেৱাত মহিলা বিষয়াৰ বৰ্ধিত সংখ্যাক লৈ সন্তুষ্টি প্ৰকাশ কৰি অধ্যক্ষগৰাকীয়ে কয়, যে ই দেশৰ বিকাশ আৰু আশা-আকাংক্ষাক প্ৰতিফলিত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ছত্তিশগড়লৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে আৰক্ষী সঞ্চালকপ্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকসকলৰ সৰ্ব ভাৰতীয় সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণত অংশগ্ৰহণ কৰিব। ৰায়পুৰত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া এই সন্মিলনত শান্তি ৰক্ষাৰ বাবে থকা মূল প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ ক্ষেত্ৰত বৰ্তমানলৈ লাভ কৰা অগ্ৰগতিৰ পৰ্য্যালোচনা কৰা হ'ব আৰু উন্নত ভাৰতৰ দৃষ্টিভংগী অনুযায়ী সুৰক্ষিত ভাৰত গঢ়াৰ বাবে বিশদ পৰিকল্পনাৰ ৰূপৰেখা প্ৰস্তুত কৰা হ'ব। সন্মিলনত শ্ৰীমোদীয়ে বিশিষ্ট সেৱাৰ বাবে আগবঢ়োৱা ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক প্ৰদান কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল আৰু গৃহ ৰাজ্যমন্ত্ৰী বন্দী সঞ্জয় কুমাৰেও এই সন্মিলনত ভাগ ল'ব।

০০০০০

বিহাৰৰ ২৪৩টা বিধানসভা সমষ্টিৰ নিৰ্বাচন আৰু ৮ খন বিধানসভা আসনৰ বাবে হোৱা উপ নিৰ্বাচনত পৰাজিত কোনো প্ৰাৰ্থীৰ পৰা ই ভি এমৰ জ্বলি যোৱা মেমৰি বা মাইক্ৰ' ক'ণ্ট্ৰলাৰৰ পৰীক্ষা আৰু তথ্যৰ শুদ্ধতা নিৰূপণৰ বাবে আৱেদন লাভ কৰা হোৱা নাই বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। আয়োগে সৰ্বোচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে ১৭ জুনত ই ভি এমৰ জ্বলি যোৱা মেমৰি বা মাইক্ৰ' ক'ণ্ট্ৰলাৰৰ পৰীক্ষা আৰু তথ্যৰ শুদ্ধতা নিৰূপণৰ বাবে ভোটগণনাৰ পাছত সংশোধিত নীতি-নিৰ্দেশনা জাৰি কৰিছিল। প্ৰতিটো বিধানসভা সমষ্টিত আকস্মিকভাৱে ৫টা ভোটগ্ৰহণৰ কেন্দ্ৰৰ ভি ভি পেট শ্লিপৰ সৈতে ভোটদান কৰা ভোটদাতাৰ সংখ্যা মিলাই চোৱা হৈছিল। ভোটগণনাত কোনো ধৰণৰ বিসংগতি ধৰা পৰা নাই। ইয়াৰ উপৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা দুহেজাৰ ৬১৬ গৰাকী প্ৰাৰ্থীৰ ভিতৰত কোনো এগৰাকীয়ে পুনৰ ভোটগ্ৰহণৰ বাবে অনুৰোধ জনোৱা নাই।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি টি-২০ বিশ্বকাপ জয় কৰা ভাৰতৰ দৃষ্টিহীন মহিলা ক্ৰিকেট দলটোক সাক্ষাৎ কৰে। দলটোৱে প্ৰধানমন্ত্ৰী মোদীক এখন নিজৰ হস্তাক্ষৰযুক্ত ক্ৰিকেট বেট উপহাৰ দিয়ে। মহিলা দৃষ্টিহীন খেলুৱৈৰ দলটোৱে কলম্বোত অনুষ্ঠিত ফাইনেল খেলখনত নেপালক ৭ উইকেটত পৰাস্ত কৰিছিল। প্ৰধানমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম যোগে কয় যে সাক্ষাৎকালত খেলুৱৈসকলে তেওঁক নিজৰ অনুপ্ৰেৰণা মূলক অভিজ্ঞতাৰ বিষয়ে অৱগত কৰে।

ooooo

বিশ্ববিদ্যালয় অনুদান আয়োগ UGCয়ে উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক সময়মতে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ আৰু চূড়ান্ত ডিগ্ৰী আৰু প্ৰমাণ-পত্ৰ শীঘ্ৰে জাৰি কৰিবলৈ নিৰ্দেশ দিছে। আয়োগে  বিলম্বৰ বাবে শিক্ষাৰ্থীসকলে সুযোগ হেৰুৱাবলগীয়া হয় আৰু তেওঁলোকে উপযুক্ত তথা গুণগত কৰ্মসংস্থান লাভ কৰাত বাধাৰ সৃষ্টি হয় বুলি উল্লেখ কৰিছে। আয়োগে প্ৰকাশ কৰে যে শিক্ষাৰ্থীসকলৰ শৈক্ষিক দিনপঞ্জী অনুযায়ী নিৰ্দ্দিষ্ট সময়ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ আৰু ফলাফল লাভ কৰাৰ অধিকাৰ আছে। বিদ্যাৰ্থীসকলৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ ১৮০ দিনৰ ভিতৰত ডিগ্ৰী লাভ কৰাৰ অধিকাৰো আছে বুলি আয়োগে প্ৰকাশ কৰিছে। UGCয়ে লগতে নিয়ম পালন নকৰা প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ ক্ষমতা আয়োগৰ আছে বুলি উল্লেখ কৰিছে।

ooooo

হংকঙৰ টাইপো জিলাৰ এটা আৱাসিক চৌহদত হোৱা অগ্নিকাণ্ডত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৪ লৈ বৃদ্ধি পাইছে। অগ্নিকাণ্ডৰ পাছৰে পৰা ২৮০ জনৰো অধিক লোক সন্ধানহীন হৈ আছে। এই ঘটনাত ৭৬ জন লোক আহত হৈছে। ইয়াৰে ভিতৰত ১৫ জনৰ অৱস্থা জটিল আৰু ২৮ জনৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। কৰ্তৃপক্ষসমূহে হতাহতৰ সংখ্যা বৃদ্ধি পাব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে।

এগৰাকী চৰকাৰী মুখপাত্ৰই প্ৰকাশ কৰা মতে অগ্নি নিৰ্বাপক বাহিনীৰ লোকে একাংশ অট্টালিকাত এতিয়াও উদ্ধাৰ অভিযান চলাই আছে। চাৰিটা অট্টালিকাত লগা জুই নিয়ন্ত্ৰণ কৰা হৈছে আৰু প্ৰায় ৯০০ জন লোকক অস্থায়ী আশ্ৰয় শিবিৰলৈ লৈ যোৱা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চ অথবা ১৯২২ নম্বৰত মিছডকল দিয়াৰ পাছত লাভ কৰা লিংকৰ  জৰিয়তেও জনসাধাৰণে আজি পৰ্যন্ত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

ooooo

সংখ্যালঘু সম্প্ৰদায়ৰ অধিকাৰৰ হকে কাম কৰা এটা গোটে পাকিস্তানত শিশুৰ বিৰুদ্ধে হোৱা হিংসাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে। ভইচ অৱ্ পাকিস্তান মাইনৰিটী নামৰ গোটটোৱে প্ৰকাশ  কৰা মতে অলপতে জাৰি কৰা ৰাষ্ট্ৰীয় তথ্য পত্ৰত চলিত বৰ্ষৰ প্ৰথম ৬ মাহত শিশুৰ বিৰুদ্ধে হিংসা ৫ হাজাৰৰো অধিক ঘটনা পোহৰলৈ আহিছে। তথ্য পত্ৰখন পাকিস্তানৰ পাঞ্জাৱ, সিন্ধু, বেলুচিস্তান আৰু ইছলামাবদৰ আৰক্ষী বিভাগৰ পৰা তথ্য জনা অধিকাৰৰ জৰিয়তে লাভ কৰা তথ্যৰ ওপৰত আধাৰিত বুলি গোটটোৱে দাবী কৰিছে। গোটটোৱে খাইবাৰ

পাখটুনখোৱাৰ তথ্য উপলব্ধ কৰা হোৱা নাই বুলিও উল্লেখ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি পাকিস্তানৰ পাঞ্জাৱত এনেধৰণৰ সৰ্বাধিক ঘটনা পোহৰলৈ আহিছে। সিন্ধুত যৌন আতিশায্য, অপহৰণ আৰু শিশু শ্ৰমৰ ঘটনা অধিক হোৱা দেখা গৈছে।

০০০০০

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন ৰাজ্যমন্ত্ৰী কিৰ্তীবৰ্ধন সিঙে কালি নতুন দিল্লীত ৰাষ্ট্ৰীয় প্ৰাণী বিজ্ঞান উদ্যান পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মন্ত্ৰীগৰাকীয়ে জীৱ-জন্তুৰ আবেষ্টনী আৰু চিৰিয়াখানাৰ সংৰক্ষণ আৰু উন্নয়ন সম্পৰ্কীয় উদ্যমৰ পৰ্যালোচনা কৰে। শ্ৰীসিঙে বগা বাঘৰ পোৱালী দুৰ্গাক প্ৰথমবাৰৰ বাবে ৰাইজৰ দৰ্শনৰ বাবে মুকলি কৰি দিয়ে। এই বছৰৰ এপ্ৰিলত জন্মগ্ৰহণ কৰা দুটা এছিয়ান সিংহ পোৱালীৰ যত্নৰো তেওঁ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে চিৰিয়াখানাৰ জীৱ-জন্তুৰ বাবে শীতকালীন ব্যৱস্থাপনা পদ্ধতি শক্তিশালী কৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০০

**সমাপ্ত**